# 2019

## PHILOSOPHY

( Major )

Paper : 6.3

*Full Marks* : 60

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

*Answer* either *in English* or *in Assamese*

**1.** Answer the following questions/Choose the correct option : $1\times7=7$

তলৰ প্ৰশ্নবোৰৰ উত্তৰ দিয়া/শুদ্ধ বিকল্পটো বাচি উলিওৱা :

*(a)* Why is it so difficult to clearly express a definition of existentialism?

অস্তিত্ববাদৰ এটা স্পষ্ট সংজ্ঞা প্ৰকাশ কৰাটো কিয় অতি কঠিন ?

*(i)* Existential terms are outside of human comprehension

অস্তিত্ববাদীয় পদসমূহ হৈছে মানৱবোধৰ বহিৰ্ভূত

*(ii)* Existentialism is considered as a trend or attitude, not a dogma or system
অস্তিত্ববাদক এক প্ৰৱণতা বা ধাৰা হিচাপেহে বিবেচনা কৰা হয়, কোনো এক প্ৰণালীবদ্ধ মত বা পদ্ধতি হিচাপে নহয়

*(iii)* Existentialism functions outside of the realm of human existence
অস্তিত্ববাদ মানৱ অস্তিত্বৰ জগতখনৰ বাহিৰতহে ক্ৰিয়াশীল

*(iv)* Existentialism emphasises abstract thinking
অস্তিত্ববাদে বিমূৰ্ত চিন্তাক গুৰুত্ব প্ৰদান কৰে

*(b)* Which of the following groups of philosophers consists of both theistic and atheistic existentialists?
তলত দিয়া দাৰ্শনিকৰ গোটসমূহৰ ভিতৰত কোনটো ঈশ্বৰবাদী আৰু নিৰীশ্বৰবাদী উভয় প্ৰকাৰৰ অস্তিত্ববাদীৰ দ্বাৰা গঠিত হৈছে?

*(i)* Kierkegaard, Heidegger, Hegel
কীৰ্কেগাৰ্ড, হাইডেগাৰ, হেগেল

*(ii)* Husserl, Heidegger, Sartre
হুছাৰ্ল, হাইডেগাৰ, ছাৰ্ত্ৰ





*(iii)* Heidegger, Sartre, Nietzsche
হাইডেগাৰ, ছাৰ্ত্ৰ, নিৎস্যে

*(iv)* Heidegger, Jaspers, Nietzsche
হাইডেগাৰ, জেচপাৰ্ছ, নিৎস্যে

*(c)* Which of the following statements is correct?
তলৰ কোনটো উক্তি শুদ্ধ?

*(i)* Hegel is an absolute idealist and Husserl supports transcendental idealism.
হেগেল হৈছে এগৰাকী পৰম ভাৱবাদী আৰু হুছাৰ্লে অতিন্দ্ৰীয় ভাৱবাদ সমৰ্থন কৰে।

*(ii)* Hegel is an absolute idealist but Husserl rejects transcendental idealism.
হেগেল হৈছে এগৰাকী পৰম ভাৱবাদী কিন্তু হুছাৰ্লে অতিন্দ্ৰীয় ভাৱবাদ অস্বীকাৰ কৰে।

*(iii)* Husserl accepts Hume's scepticism and Hume is an empiricist.
হুছাৰ্লে হিউমৰ সংশয়বাদ সমৰ্থন কৰিছে আৰু হিউম এগৰাকী অভিজ্ঞতাবাদী।

*(d)* Whether, for Kierkegaard, belief in God is a matter of individual passion or a matter of logic?
কীৰ্কেগাৰ্ডৰ কাৰণে ঈশ্বৰ-বিশ্বাস এক ব্যক্তিগত ভাবাৱেগৰ বিষয় নে যুক্তিৰ বিষয়?

(e) Which of the following pairs is not perfectly matched?
তলত দিয়া যোৰসমূহৰ ভিতৰত কোনটো যোৰ সঠিকভাৱে মিল খোৱা নাই?

(i) Cartesian Meditations : Husserl
Cartesian Meditations : হুছার্ল

(ii) Man is condemned to be free : Sartre
মানুহ স্বাধীন হোৱাৰ বাবে দণ্ডিত : ছাৰ্ত্ৰ

(iii) Concluding Unscientific Postscript : Kierkegaard
Concluding Unscientific Postscript : কীর্কেগার্ড

(iv) Either/Or : Nietzsche
Either/Or : নীৎস্যে

(f) In Sartre's philosophy, freedom and responsibility are two mutually exclusive concepts. Is it correct?
ছাৰ্ত্ৰৰ দৰ্শনত স্বাধীনতা আৰু দায়বদ্ধতা পৰস্পৰ বহিৰ্ভূত দুটা ধাৰণা। এইটো শুদ্ধনে?

(g) What is the meaning of the word 'nihil'?
'Nihil' শব্দটোৰ অৰ্থ কি?





2. Answer the following briefly : 2×4=8
তলত দিয়াবোৰৰ চমু উত্তৰ দিয়া :

(a) What is 'transvaluation of values' according to Nietzsche?
নীৎস্যেৰ মতে 'মূল্যৰ মূল্যান্তকৰণ' মানে কি?

(b) Why does despair arise in man's life as stated in the aesthetic stage of existence?
অস্তিত্বৰ সৌন্দৰ্যাত্মক স্তৰ অনুসৰি ব্যক্তি মানৱৰ জীৱনত কেনেকৈ হতাশা উদয় হয়?

(c) What does Sartre mean by the state of abandonment?
ছাৰ্ত্ৰে পৰিত্যক্ত হোৱা অৱস্থাটোৰ দ্বাৰা কি বুজাইছে?

(d) Why can Husserl be called an intuitionist?
হুছার্লক কিয় এগৰাকী স্বজ্ঞাবাদী বুলি ক'ব পাৰি?

3. Write short notes on any *three* of the following : 5×3=15
তলৰ যি কোনো তিনিটাৰ বিষয়ে চমু টোকা লিখা :

(a) Existentialism as a reaction against German idealism
জাৰ্মান ভাৱবাদৰ এক প্ৰতিক্ৰিয়াৰূপে অস্তিত্ববাদ

(b) Ethical stage of human existence in Kierkegaard's philosophy
কীর্কেগার্ডৰ দৰ্শনত মানৱ অস্তিত্বৰ নৈতিক স্তৰ

(c) Nietzsche's concept of superman
নীৎস্যেৰ অতিমানৱৰ ধাৰণা

(d) Primacy of existence over essence in Sartre's philosophy
ছাৰ্ত্ৰৰ দৰ্শনত সাৰসত্তাৰ তুলনাত অস্তিত্বৰ প্ৰাথমিকতা

(e) Husserl's concept of the 'intentionality of consciousness'
হুছাৰ্লৰ 'চেতনাৰ বিষয়মুখীনতা'ৰ ধাৰণা

**4.** Answer any *three* of the following : 10×3=30
তলত দিয়াবোৰৰ যি কোনো তিনিটাৰ উত্তৰ দিয়া :

(a) Discuss briefly any five of the general characteristics of existentialism.
অস্তিত্ববাদৰ সাধাৰণ বৈশিষ্ট্যসমূহৰ যি কোনো পাঁচটাৰ বিষয়ে চমুকৈ আলোচনা কৰা।

(b) "Subjectivity is truth." Explain and examine the statement following Kierkegaard.
"আত্মনিষ্ঠতা বা আত্মিকতাই সত্যতা।" কীৰ্কেগাৰ্ডৰ এই উক্তিটোৰ বিচাৰাত্মক ব্যাখ্যা আগবঢ়োৱা।

(c) "Man does not discover his values; he creates them." Explain the statement with special reference to Nietzche's nihilism.





"মানুহে তেওঁৰ মূল্যক আৱিষ্কাৰ নকৰে; তেওঁ তাক সৃষ্টি কৰে।" নীৎস্যেৰ শূন্যবাদৰ লগত সংগতি ৰাখি উক্তিটো ব্যাখ্যা কৰা।

(d) Give a critical account of Sartre's concept of freedom.
ছাৰ্ত্ৰৰ স্বাধীনতাৰ ধাৰণাটোৰ বিষয়ে এক বিচাৰমূলক ব্যাখ্যা আগবঢ়োৱা।

(e) Distinguish between phenomenology and phenomenalism.
প্ৰতীতিবাদ বা প্ৰতিভাস-বিজ্ঞান (phenomenology) আৰু প্ৰতিভাসবাদ (phenomenalism)ৰ মাজত পাৰ্থক্য নিৰ্ণয় কৰা।

(f) Write a note on descriptive phenomenology.
বৰ্ণনামূলক প্ৰতীতিবাদ বা বৰ্ণনামূলক প্ৰতিভাস-বিজ্ঞানৰ বিষয়ে এটি টোকা লিখা।

★★★